সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৮ বছৰৰ এক অবিৰত যাত্ৰা...

Postal Redg. No. GH- 098/ 2015 - 17


গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

২৮ বছৰ, ৪৪ সংখ্যা, ২০ কাতি , ৰবিবাৰ, ১৪২৭ ভাস্কৰাব্দ, পঞ্জীয়ন নং ৫৩৮৮৩ / ৯৪

RNI No. 53883/94. GHY--781025. Vol. 28: Issue No. 44 * Date Of Publication - 7 November 2021 Rs.5.00/-

## প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে মুকলি কৰিলে আদিগুৰু শঙ্কৰাচাৰ্যৰ সমাধি ক্ষেত্ৰ



ৰঙিলী বাৰ্ত্তাসেৱা- দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কেদাৰনাথ মন্দিৰৰ আন্তঃগাঁথনি উন্নয়নৰ কামৰ শুভাৰম্ভণি কৰাৰ লগতে নিজৰ দৰ্শন, কাব্যৰ দ্বাৰা দেশক একগোট কৰা আদিগুৰু শঙ্কৰাচাৰ্যৰ সমাধি ক্ষেত্ৰ আৰু ৰচ ফুট উচ্চতাৰ আৰক্ষ মূৰ্তিৰ শুভ উন্মোচন কৰে। ভাৰ্চুৱেল যোগে সম্প্ৰচাৰ হোৱা উক্ত অনুষ্ঠানত ভাষণ প্ৰদান কৰি নৰেন্দ্ৰ মোদীয়ে কয় "আদিগুৰু শঙ্কৰাচাৰ্যৰ দ্বাৰা কৰা তপস্যা ভাৰতীয় সংস্কৃতিৰ বৰ্তমান স্বৰূপত আজিও বিদ্যমান। এনে এক সংস্কৃতি যি আঁকোৱালি লয়, সকলোৰে লগত একেলগে আগবাঢ়ে । এই সংস্কৃতিয়েই হৈছে ভাৰতবৰ্ষৰ আধাৰ । এয়া সংস্কৃতি যি সবকা সাথ, সবকা বিকাশৰ মন্ত্ৰৰ ওপৰত বিশ্বাস ৰাখে। "এই শুভক্ষণত আদিগুৰু শঙ্কৰাচাৰ্যই ভ্ৰমণ কৰা দেশৰ বিভিন্ন ধাৰ্মিক স্থানত এই আধ্যাত্মিক অনুষ্ঠানৰ পোনপটীয়া সম্প্ৰচাৰ কৰাৰ লগতে বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হয়। উক্ত অনুষ্ঠানৰ লগত সংগতি ৰাখি আদি গুৰু শংকাৰাচাৰ্যই ভ্ৰমণ কৰা অসমৰ মা কামাখ্যা মন্দিৰ, মহাভৈৰৱ মন্দিৰ, শিৱদল, টিলিঙা মন্দিৰ আৰু টুক্ৰেশ্বৰী দেৱালয় আদি পাঁচটাকৈ স্থানত ৰাজ্যিক বিজেপিৰ শীৰ্ষ নেতৃত্বৰ উপস্থিতিত আধ্যাত্মিক অনুষ্ঠানৰ আয়োজন হৈ যায় বুলি বিজেপি, অসম প্ৰদেশৰ হেঙেৰাবাৰীস্থিত মুখ্য কাৰ্যালয়ে সংবাদ মাধ্যমলৈ

(পাঁচপৃষ্ঠাত চাওক)

## সম্পাদকীয়ঃ আশ্চৰ্য-হতভম্ব


কাতি মাহৰ ঘোৰ অমাৱস্যাৰ নিশা উৎযাপন কৰা হয় দীপান্দিতা বা দিপাৱলী। চাকিৰ পোহৰে চৌদিশ পোহৰাই ৰাখি আমাৰ সমাজ আৰু মনৰ পৰা যাতে অসূয়া শক্তিক বিনাশ কৰি সম্প্ৰীতিৰ মহামিলনেৰে সকলো বান্ধ খাই যাব পাৰে, সেই উদ্দেশ্যেৰে পোহৰৰ উৎসৱ দীপাৱলী উৎযাপন কৰা হয়। দীপাৱলীৰ পৌৰাণিক আখ্যান আমাৰ আবাল-বৃদ্ধ-বণিতা সকলোৰে জ্ঞাত। কিন্তু "এতিয়া ৰামো নাই সেই অযোধ্যাও নাই"নে কি কয়? দেশৰ পৰিস্থিতি সৰ্বজনবিদিত। কোনোৱে হয়তো এসাঁজৰ বাবে হাহাঁকাৰ কৰিছে, কোনোৱে হয়তো দুয়োসাজঁৰ বাবে। পেট্ৰল, মিঠাতেলৰ চেঞ্চুৰী, ডবল চেঞ্চুৰী, ৰন্ধন গেছৰ হাজাৰৰ সীমা অতিক্ৰম। মুঠতে অভিলেখৰ উপৰি অভিলেখ বজাৰখনত সকলো ফালে নিৰ্বাপিত নোহোৱা জুই, যি সম্পূৰ্ণ নিয়ন্ত্ৰণৰ বাহিৰত। অতিকৈ আশ্চৰ্যজনক তথা সকলোকে হতবম্ভিত কৰি এইবাৰো আটছবাজীৰ এক অঘোষিত প্ৰতিযোগিতা য'ত লক্ষ লক্ষ টকা চকুৰ প্ৰচাৰতে জ্বলি চাৰখাৰ। কেৱল মাত্ৰ ক্ষন্তেকীয়া মনোৰঞ্জনৰ বাবে। পৰিস্থিতিৰ ৰোষত পৰা আৰ্তজনক টকা দহটা দিবলৈ আমি অপাৰগ, কিন্তু তেনেই ক্ষন্তেকীয়া মনোৰঞ্জনৰ নামত হাজাৰ, হাজাৰ, লক্ষ, লক্ষ টকা পুৰি চাই কৰাতো কিমান যুক্তিকৰ? এনে ক'ৰনা কালীন সময়তো কিছুসংখ্যকৰ এইদৰে ওৰে নিশাৰ ব'ম আটছবাজীয়ে শব্দ প্ৰদূষণৰ লগতে তাৰ ধোঁৱাই এক অশনি সংকেত কঢ়িয়াই অনা নাইনে? ক্ষুধাৰ দেশৰ তালিকাত ভাৰতৰ স্থান অন্তৰ্ভুক্ত হোৱাৰ পিছতো কেনেকৈ ইমান টকাৰ শ্ৰাদ্ধ কৰিব পাৰিলে বাৰু? মিনিটৰ এক আত্মসন্তুষ্টিৰ বাবেই নে? কভিদে জুৰুলা কৰাৰ পিছত ক'ত যে পৰিয়াললৈ ঘোৰ অমানিশা নামি আহিছে, কিছু সংখ্যকৰ ভাবিবৰ আহৰি নাই। দিনে দিনে বাঢ়ি অহা মূল্যবৃদ্ধিয়ে এফালে জুৰুলা আন ফালে চকু আৰু মনৰ তৃপ্তি। মিঠাতেলৰ মূল্যবৃদ্ধিৰ দোহাৰি জনাই চকু চাত মৰা লাইটৰৰ পোহেৰে পোহৰ প্ৰদূষণৰ সৃষ্টি কৰিছে। তাৰউপৰিও কিছুমানে এই দীপাৱলী ৰ লাইটেৰে গোটেই মাহজুৰি দীপাৱলী উৎযাপন কৰে। তাৰ পৰা আমাৰ বিদ্যুতৰ ভালে খিনি অপচয় হয়। সজাগ হোৱাৰ সময় ইতিমধ্যে পাৰ হৈ গৈছে। এতিয়াও যদি আমি টঙালি নাবান্ধো, তেনেহ'লে কঙালী আমাৰ দুৱাৰদলিত।

## লণ্ডনত থকাৰ পৰিকল্পনা ৰিলায়েঞ্চ ইণ্ডাষ্ট্ৰীৰ স্বত্বাধিকাৰী মুকেশ আম্বানিৰ



ৰঙিলী বাৰ্ত্তাসেৱা - পৰিয়ালসহ মুম্বাই এৰি লণ্ডনত থকাৰ পৰিকল্পনা কৰিছে দেশৰ লগতে এছিয়াৰ ৰ নম্বৰ ধনাঢ্য তথা বিশ্বৰ একাদশ ধনাঢ্য উদ্যোগপতি ৰিলায়েঞ্চ ইণ্ডাষ্ট্ৰীৰ স্বত্বাধিকাৰী মুকেশ আম্বানিয়ে। উদ্যোগপতি মুকেশ আম্বানিয়ে এই সিদ্ধান্ত লৈছিলিক'ভিড-১৯ লকডাউনৰ সময়তে। সেই উদ্দেশ্যে ৩০০ একৰ ভূমি ৫৯২ কোটি টকাৰে ক্ৰয় কৰি লণ্ডনৰ বাকিংহামশ্বায়াৰত বিশাল অট্টালিকা নিৰ্মাণ কৰে। এই অট্টালিকাত সকলো অত্যাধুনিক সা-সুবিধাৰ লগতে ৪৯টা শোৱনি কোঠা আছে। ইয়াৰোপৰি লগতে আছে এখন চিকিৎসালয়। লকডাউনৰ সময়ত জাম নগৰত কিছুদিন কটোৱা আম্বানি পৰিয়ালে লণ্ডনৰ বাকিংহামশ্বায়াৰত থাকি ব্যৱসায় চলাই যাব। মুম্বাইৰ বিশাল অট্টালিকাৰ উপৰি বিদেশত ঘৰ নিৰ্মাণ কৰাৰ পৰিকল্পনা লোৱা আম্বানিয়ে যোৱা বৰ্ষৰ এপ্ৰিল মাহত বাকিংহামশ্বায়াৰৰ ষ্টকপাৰ্কৰ কাউণ্টী ক্লাবৰ সমীপত ৩০০ একৰ ভূমি ক্ৰয় কৰিছিল আৰু আগষ্টৰ পৰাই তাত বিশাল অট্টালিকা নিৰ্মাণৰ কাম আৰম্ভ কৰিছিল। সম্প্ৰতি এই বিশাল অট্টালিকাটো সম্পূৰ্ণ হৈ উঠাৰ পাছতেই আম্বানি পৰিয়ালে উক্ত অট্টালিকালৈ ঘৰখন স্থানান্তৰিত কৰিব। কালি দীপাৱলী আম্বানি পৰিয়ালে উক্ত নতুন অট্টালিকাটোতেই উদ্যাপন কৰে। বিগত তিনি মাহ ধৰি আম্বানি পৰিয়ালে লণ্ডনৰ বাসগৃহত বসবাস কৰি থকাৰ পৰিপ্ৰেক্ষিততেই আম্বানি পৰিয়ালে দেশ এৰি বিদেশত থিতাপি লোৱাৰ চৰ্চা চলিছে। এই চৰ্চা চলি থকাৰ মাজতে ৰিলায়েন্সে বাতৰিটো অস্বীকাৰ কৰিছে।

## ভাৰতত ১০হেজাৰ লোক নতুনকৈ কৰ'নাত আক্ৰান্ত



ৰঙিলী বাৰ্ত্তাসেৱা - ভাৰতে যোৱা ২৪ ঘণ্টাত ১০, ৯২৯ টা নতুন কোভিড-১৯ পঞ্জীয়ন কৰিছে, যি কালিৰ তুলনাত ১৪.১৪ কম। যোৱা ২৪ ঘণ্টাত দেশখনত প্ৰায় ৩৯২ জন লোকৰ মৃত্যু হোৱাৰ খবৰ পোৱা গৈছে, যাৰ ফলত মুঠ মৃত্যুৰ সংখ্যা ৪, ৬০, ২৬৫ লৈ বৃদ্ধি হোৱা দেখা গৈছে। নতুন ঘটনাৰ সৈতে, দেশৰ মুঠ সক্ৰিয় ঘটনা বৰ্তমান সময়ত বৃদ্ধি হৈ ৩, ৪৩, ৪৪, ৬৮৩ হৈছে। আনহাতে, সক্ৰিয় কেছলোড হৈছে ১, ৪৬, ৯৫০।

# বিগত ১০ বছৰৰ তুলনাত ২০২০ চনত আত্মহত্যা কৰা লোকৰ সংখ্যা সৰ্বাধিক

ৰঙিলী বাৰ্তাসেৱা - নেচনেল ক্ৰাইম ৰেকৰ্ডছ ব্যুৰ'ৰ পৰা প্ৰকাশ হোৱা ২০২০ৰ বাৰ্ষিক প্ৰতিবেদনৰ তথ্য অনুসৰি, ২০২০ চনত প্ৰতিদিনে গড়ে ৪১৮জনকৈ লোকে আত্মহত্যা কৰিছে। মুঠ আত্মহত্যা কৰা লোকৰ সংখ্যা ১, ৫৩, ০৫২। ঘাতক ক'ৰোনা ভাইৰাছত আক্ৰান্ত হৈ প্ৰাণ হেৰুৱাইছে ১.৪৯ লাখে। বিগত ১০ বছৰৰ তুলনাত ২০২০ চনত আত্মহত্যা কৰা লোকৰ সংখ্যা সৰ্বাধিক। এই আত্মহত্যা কৰাৰ আঁৰত বিভিন্ন কাৰণ আছে, বিভিন্ন শ্ৰেণীৰ লোক আছে যদিও দৈনিকশ্ৰম কৰি খোৱা লোকৰ সংখ্যা অধিক। তথ্য মতে, ৩৭, ৬৬৬জন দৈনিক শ্ৰমিকে বৰ্ষটোত আত্মহত্যা কৰিছে। ক'ভিড ১৯ লকডাউনৰ বাবেই দেশজুৰি সৰ্বাধিক দুৰ্বিষহ পৰিস্থিতিৰ সন্মুখীন হৈছিল দৈনিক হাজিৰা কৰা শ্ৰমিক। মহামাৰীৰ সময়ছোৱাত আত্মহননৰ হাৰ ১০ শতাংশ বৃদ্ধি পাইছে। দিন মজুৰি শ্ৰমিকৰ লগতে গৃহিণীসকলৰ আত্মহত্যাৰ হাৰো মহামাৰীৰ সময়ত বৃদ্ধি পাইছে। আন এটা কাৰণ ৰোগৰ বাবেও আত্মহত্যা কৰা লোকৰ সংখ্যা ১৭ শতাংশ। অৰ্থাৎ ২০২০ চনত এই কাৰণতেই ২৭, ৬৩২জনে আত্মহননৰ পথ বাছি লৈছে। ১৬ হাজাৰ লোকৰ আত্মহত্যাৰ কাৰণ জনা নাযায়। ঠিক তেনেদৰে ১৫ হাজাৰ লোকৰ আত্মহত্যাৰ কাৰণ ৰহস্যজনক। লিংগভিত্তিক তথ্য জুকিয়াই চালে আত্মহত্যা কৰা লোকৰ ভিতৰত মহিলাতকৈ পুৰুষ অধিক। মুঠ আত্মহত্যা কৰা লোকৰ ভিতৰত প্ৰায় ৭১ শতাংশ পুৰুষ। এক লাখতকৈ অধিক পুৰুষে আত্মহত্যা কৰাৰ বিপৰীতে প্ৰায় ৪৫ হাজাৰ মহিলাই আত্মহত্যা কৰিছে। ২২জন তৃতীয় লিংগৰো মহামাৰীৰ সময়ত আত্মহত্যা কৰিছে। ইপিনে মুঠ আত্মহত্যাৰ ৮ শতাংশৰ অধিক শিক্ষাৰ্থী। ১২, ৫২৬জন শিক্ষাৰ্থীয়ে আত্মহত্যাৰ পথ বাছি লৈছে। আনপিনে কৃষিখণ্ডৰ লগত জড়িত ১০,৬৭৭ জনে বৰ্ষটোত আত্মহননৰ পথ বাছি ল'বলগীয়া হৈছে। এন চি আৰ বিৰ তথ্য মতে, ২০১৯ চনৰ তুলনাত ২০২০ চনত এক লাখ জনসংখ্যাৰ ভিতৰত আত্মহত্যা কৰা লোকৰ সংখ্যা অধিক। ২০২০ চনত হাৰ ১১.৩ শতাংশ।

# বিজেপি চৰকাৰৰ দিনত প্ৰশাসনিক ক্ষেত্ৰত দেশৰ ১৮ খন ৰাজ্যৰ ভিতৰত ১৪ খনলৈ অৱনমিত অসম

ৰঙিলী বাৰ্তাসেৱা- প্ৰতিশ্ৰুতিৰ বন্যা বোৱাই জনতাৰ মন আকৰ্ষণ কৰা বিজেপি নেতৃত্বাধীন চৰকাৰৰ দিনত প্ৰশাসনিক ক্ষেত্ৰত দেশৰ ১৮ খন ৰাজ্যৰ ভিতৰত ১৪ লৈ অৱনমিত অসম, আত্মহননৰ ঘটনাই গঢ়িছে অভিলেখ। জনতাৰ দুখ-যন্ত্ৰণাক আওকাণ কৰি ক্ষমতা আহৰণত ব্যস্ত বিজেপি চৰকাৰ। Public Affairs Index 2021 (PAI) ৰ তথ্য অনুসৰি চৰকাৰ চলোৱাৰ ক্ষেত্ৰত দেশৰ ১৮খন ৰাজ্যৰ ভিতৰতে অসমৰ স্থান ১৪ নম্বৰ স্থানলৈ অৱনমিত হৈছে, যিটো অসমবাসীৰ বাবে চৰম লজ্জাজনক বিষয়। বিজেপি নেতৃত্বাধীন চৰকাৰৰ দিনত দেশত চলি থকা আৰ্থিক মন্দাৱস্থাৰ লগতে সকলো বস্তুৰ আকাশলংঘী মূল্যবৃদ্ধিয়ে সৰ্বসাধাৰণ ৰাইজৰ জীৱন দুৰ্বিসহ কৰি তুলিছে। এনে সময়ত চৰকাৰে জনতাক সকাহ দিবলৈ কোনো কাৰ্যকৰী পদক্ষেপ গ্ৰহণ নকৰা বাবে দেশত আত্মহত্যাৰ সংখ্যা দিনে দিনে বৃদ্ধি পাবলৈ ধৰিছে। এন চি আৰ বিৰ প্ৰতিবেদনত প্ৰকাশ পোৱা অনুসৰি কৃষকৰ আত্মহত্যাৰ সংখ্যা ১৮ শতাংশলৈ বৃদ্ধি পোৱাৰ উপৰিও দিন হাজিৰা কৰা শ্ৰমিকৰ আত্মহত্যাৰ ঘটনা বছৰত ৩৭,৬৬৬ জনলৈ বৃদ্ধি পাইছে আৰু ছাত্ৰ ছাত্ৰীৰ আত্মহত্যাৰ

(পাঁচ পৃষ্ঠাত চাওক)

# বিভিন্ন প্ৰান্তৰ লগতে টংলা চহৰতো গোৰ্খা সমাজৰ ঘৰে ঘৰে ভাইটিকা ভাতৃ মহাউৎসৱ পালন



ৰঙিলী বাৰ্তাসেৱা- আজি গোৰ্খা জনগোষ্ঠীয় লোক সকলৰ পবিত্ৰ ভাইটিকা ভাতৃ মহাউৎসৱ। আজিৰ দিনটোত গোৰ্খা সমাজৰ ঘৰে ঘৰে ককাই-ভনীৰ পবিত্ৰ সম্পৰ্ক অতুত ৰাখি দিৰ্ঘায়ু হ'বৰ ভগবানৰ ওচৰত প্ৰাৰ্থনা জনাই এজনে আনজনৰ আৰ্শীবাদ লবৰ বাবে এই উৎসৱটি পালন কৰে। পৰিপেক্ষিতত বিভিন্ন প্ৰান্তৰ লগতে ওদালগুৰি জিলা টংলাতো চহৰতো গোৰ্খা জনগোষ্ঠীয় লোকসকলে পৰম্পৰা অতুত ৰাখি দিপাৱলীৰ উৎসৱৰ অন্তত পৰম্পৰাগত ভাৱে ভনীয়েকে ককায়েক সকলক ভাইটীয়ে বাইদেউ জনীক ফুলৰ মালা আৰু কপালত চন্দনৰ ফোট দি মিঠাই প্ৰসাদ খুৱাই আৰ্শীবাদ গ্ৰহণ কৰে। আৰু অনাগত দিনবোৰত যাতে অপাই-অমঙ্গলৰ পৰা পৰিত্ৰাণ পায় লগতে ককাই-ভনীৰ এই সু-সম্পৰ্ক যাতে দৃঢ়মান হৈ থাকে তাৰে কামনাৰে সুন্দৰ উৎসৱটি পালন কৰা দেখিবলৈ পোৱা যায়।

# দিল্লীত বায়ু প্ৰদূষণৰ বাবে অভাৱনীয় পৰিস্থিতি



ৰঙিলী বাৰ্তাসেৱা- দীপাৱলীৰ পাছত দিল্লীত দেখা গৈছে অভাৱনীয়ভাৱে বায়ু প্ৰদূষণ। দীপাৱলীত হোৱা আতচবাজীৰ বাবে বায়ু প্ৰদূষণ ইমানেই বৃদ্ধি পাইছে যে শিশুৰ পৰা বৃদ্ধলৈকে কেইমিনিটৰ বাবে ঘৰৰ বাহিৰ ওলালেই চকুৰে পানী নিগৰি আহে আৰু অত্যাধিক কাহত লেবেজান হ'বলগীয়া অৱস্থাত। দিল্লীত বায়ু প্ৰদূষণ পূৰ্বৰে পৰা দেশৰ অন্যান্য মহানগৰতকৈ বেছি আতচবাজীৰ বাবে দিল্লীৰ আকাশ হৈ থাকে ধোঁৱাচ্ছন্ন। ইফালে, শাসকীয় আম আদমী পাৰ্টী চৰকাৰে দীপাৱলীত এই অত্যধিক আতচবাজীৰ বাবে জগৰীয়া কৰিছে বিজেপিক। বিজেপিৰ নেতাসকলৰ বাবে দিল্লীত বহু সতৰ্কতা সত্বেও দীপাৱলীত আতচবাজীৰ ব্যৱস্থা কৰিছিল জনসাধাৰণে। মুহুৰ্তৰ ভিতৰতে দিল্লীত বায়ু প্ৰদূষণ মাত্ৰাধিক হৈ পৰে।

# ৫২ সংখ্যক 'ইণ্টাৰনেচনেল ফিল্ম ফেষ্টিভেল অৱ ইণ্ডিয়া'ত অসমৰ তিনিখনকৈ ছবি নিৰ্বাচিত




ৰঙিলী বাৰ্তাসেৱা- গোৱাত নৱেম্বৰ মাহৰ ২০ ৰ পৰা ২৮ তাৰিখলৈকে চলিব লগীয়া ৫২ সংখ্যক “ইণ্টাৰনেচনেল ফিল্ম ফেষ্টিভেল অৱ ইণ্ডিয়া”ৰ “ইণ্ডিয়ান পেন'ৰমা”ৰ বাবে নিৰ্বাচিত চলচিত্ৰসমূহৰ তালিকাত অসমৰ জনপ্ৰিয় অভিনেত্ৰী আইমী বৰুৱাৰ পৰিচালিত আৰু অভিনীত ডিমাছা ছবি “ছেমখৰ”ৰেও স্থান লাভ কৰিছে। অসমৰ পৰা ছেমখৰৰ উপৰিও বড়ো আৰু মিচিং ভাষাৰ আন দুখন ছবি ক্ৰমে “চিজৌ” আৰু “বোম্বা ৰাইদ” “ইণ্ডিয়ান পেন'ৰমা”ৰ বাবে নিৰ্বাচিত হৈছে। উল্লেখযোগ্য যে অহা ২০ তাৰিখে গোৱাত ভাৰতৰ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰণালয়ৰ চলচিত্ৰ সমাৰোহ সঞ্চালকালয় আৰু গোৱা চৰকাৰৰ উদ্যোগত আৰম্ভ হ'ব লগা “ইণ্টাৰনেচনেল ফিল্ম ফেষ্টিভেল অৱ ইণ্ডিয়া”ৰ “ইণ্ডিয়ান পেন'ৰমা” ত প্ৰদৰ্শন হ'ব লগা চলচিত্ৰসমূহৰ উদ্বোধনী ছবি হৈছে অসমৰ জনপ্ৰিয় অভিনেত্ৰী আইমী বৰুৱাৰ পৰিচালিত আৰু অভিনীত ডিমাছা ছবি “ছেমখৰ”।

# সম্পৰ্ক আৰু সীমাবদ্ধতা

ববিতা বৰা

অজস্ৰ মানুহ চাৰিওফালে। কোনোবা পৰ কোনোবা আপোন। কোনোবা আকৌ আপোন হৈও পৰ। চিনি পাবলৈকে টান মানুহৰ মনৰ মহিমা। কিছুমান আপোন বুলি ভৱা মানুহও সময়ত একেবাৰে পৰ হৈ যায়। তেজৰ সম্পৰ্ক থকাবোৰও যে চিৰদিন একেই হৈ থাকে, সেইটোও বিৰল। জীৱননো কি? দুদিনীয়া। ক্ষন্তেকীয়া। গতিকে যি আছে, সেইয়াৰেই সুখী হ'ব লাগে। থকা খিনিকেই উৎকৰ্ষ কৰাৰ চেষ্টা কৰিব লাগে। আচলতে আমি যিমানেই নিজৰ বন্ধুত্বৰ, চিনাকিৰ পৰিসৰ বহলাবলৈ যত্ন নকৰো কিয় বা যিমানেই বহল নহওঁক কিয় তাৰ মাজত আপোনাৰ আপোনজনৰ সংখ্যা তেনেই তাকৰ। বিপদত দৌৰি অহা জনক কেৱল মাত্ৰ আপোন বুলি ক'বলৈ নাযাওঁ। কাৰণ আপোনাৰ বিপদত দৌৰি আহিব নোৱাৰা জনৰ হয়তো সেইসময়ত নিজৰ ব্যক্তিগত বিপদ থাকিব পাৰে যি আপোনাৰ বিপদৰ তুলনাত হয়তো দুগুণ ডাঙৰ হ'বও



পাৰে। গতিকে আপোনাৰ বিপদত দৌৰি অহাজনহে আপোনাৰ আপোন বুলি ভৱাটো স্বাৰ্থপৰতা হে হ'ব। কোনোবা আপোন বুলি ভৱা এজন, আপোনাৰ সুখৰ উৎসৱৰ সময়ত হয়তো আপোনাৰ কাষত শাৰিৰীক ভাৱে উপস্থিত থাকিব নোৱাৰিবও পাৰে। ধৰো, এখন বিয়াত, কোনোবা এজন নাহিলে বুলিলেই তেওঁ আপোনাৰ পৰ হৈ যায় নেকি? বিনিময়ত তেওঁৰ সুখৰ উৎসৱত আপোনাক নিমন্ত্ৰণ কৰিলে, আপুনি মাথো প্ৰতিশোধ লোৱাৰ উদ্দেশ্যে স্ব-ইচ্ছাই তেওঁৰ কাষত দেখা নিদিয়াটো উচিত নে? আমি বহুতেই এনেকুৱা কৰো বা কৰা মই দেখিছোও। 'তাক মোৰ বিয়াত মাতিলো সি নাহিল। এতিয়া তাৰ বিয়ালৈ মাতিছে বুলিয়েই মই যাম নেকি? নাযাওঁ।'

এইটো হৈছে সস্তীয়া এটা মই বৰ স্বভাৱ। এনেকুৱা জেদা-জেদিৰ বাবে এটা সম্পৰ্ক ভাগে। তাৰ বাদে আন একো নহয়। এখন বিয়াত বা সকামত খুউব কম সংখ্যক লোকেহে আশীৰ্বাদ দিবলৈ যায়, অন্তৰৰ পৰা শুভাষা দিবলৈ যায়। মন কৰিব অপ্ৰিয় হ'লেও কথাটো সত্য যে অধিকাংশই বিয়া সবাহলৈ যায় মাংস বাতিৰ সোৱাদ ল'বলৈ। দকচি পিতি খাবলৈ। মৃতকৰ ঘৰৰ প্ৰায়চিত্ত হোৱাৰ বেলিকা মৎস্য স্পৰ্শ কৰি পদুলিমুখত আলোচনা কৰা মানুহও আছে, 'জোলত নিমখ অলপ কম হ'ল হে! মাছটোতও সোৱাদ নাই। মোৰ ভাগত ফিছাহে পৰিল।' আচৰিত। চচিয়েল মিডিয়া..য'ত আপোনাক একেলগে পাচ হাজাৰ মানুহে বন্ধুত্বৰ ৰিকুৱেষ্ট পঠাই, আপোনাৰ প্ৰতিখন ফটোত সুন্দৰ, ধুনীয়া বুলি কমেন্ট কৰে, লাইক কৰে... সেইকেইজন আপোনাৰ প্ৰেমিক, সহায় বিচাৰি পষ্ট এটা কৰাৰ সময়ত ক'ত অন্তৰ্ধান হয়? কেইটা আহে প্ৰত্যুত্তৰ? আপোনাৰ প্ৰতিখন ফটোত 'you are my Crush' বুলি কমেন্ট কৰা মানুহজন ক'ত লুকাই সেই প্ৰয়োজনীয় সময়কণত?

জীৱনত, বন্ধুৰ লিষ্টখন যিমানেই দিঘলীয়া নহওঁক কিয়, আচলতে সদায়েই প্ৰকৃত বন্ধু এজনেই থাকে। অৱশ্য ই আপোনাৰ ওপৰতো নিৰ্ভৰশীল যে আপুনি কেনেকৈ ধৰি ৰাখিছে সম্পৰ্কটো বা ধৰি ৰখাৰ চেষ্টা কৰিছেই বা নাই। হাজাৰবাৰ বিচ্ছেদৰ পিছতো যিজনে বিপদত দৌৰি আহিব নোৱাৰিলেও একো স্বাৰ্থ নাৰাখি বা আখেজ নাৰাখি আপোনাক কয়, 'চিন্তা নকৰিবি, মই আছো নহয়।' বুলি.. সেইজনহে বুকুৰ কুটুম যি

(আঠপৃষ্ঠাত চাওক)

# পোহৰৰ উৎসৱ দিপাৱলী

সংযুক্তা দত্ত



পোহৰৰ উৎসৱ দেৱালী বা দিপাৱলী হৈছে হিন্দু ধৰ্মালম্বী লোক সকলৰ এক বিশেষ উৎসৱ। পৌৰাণিক কথা বা হিন্দু কেলেণ্ডাৰৰ অনুসৰি ইয়াক পালন কৰা হয় প্ৰতি বছৰৰ কাতি মাহৰ কৃষ্ণ পক্ষৰ অমাৱশ্যাৰ দিনটোত সাধাৰণতে দিপাৱলীৰ দিনটো হিন্দু ধৰ্মালম্বী লোক সকলে ভগৱান গনেশ আৰু লক্ষ্মীদেৱীক পূজা আৰাধনা কৰা দেখা যায় । বিশ্বাস অনুসৰি সেইদিনা গনেশ আৰু লক্ষ্মী পূৰ্জনৰ ফলত পৰিয়ালৰ সদস্য সকলৰ মাজত সুখ-সম্প্ৰতি অটুত থাকে। আৰু ধন সম্পতি বৃদ্ধি পায় বুলি বিশ্বাস কৰি অহা হৈছে। দিপাৱলীৰ দিনাখন সকলোৱে ঘৰ খন সুন্দৰকৈ সজাই তোলে। আৰু ওচৰ চুবুৰীয়া সকল ইঘৰে সিঘৰলৈ যায়। দিপাৱলী সৰু সৰু ল'ৰা ছোৱালীৰ পৰা বয়োজেষ্ঠ জনলৈকে সকলোৱে আনন্দত ফট্‌কা, ব'ম, ফুলজাৰি, কলগছ, কেৰেলুৱা আদি জ্বলাই। ফট্‌কা আৰু ব'ম ফুটুৱাটো চৰকাৰে বাধা প্ৰদান কৰিছে । কিয়নো এই ফট্‌কা আৰু ব'মে বায়ু প্ৰদূষণৰ সৃষ্টি কৰে । ইয়াৰ দ্বাৰা বিভিন্নজনৰ বেমাৰ আজাৰ সৃষ্টি হয়। তাতোকৈয়ে ডাঙৰ কথা হ'ল - ব'ম আৰু ফট্‌কা ফুটোৱাৰ অসাৱধানতাৰ দ্বাৰা এজন ব্যক্তিৰ জীৱনলৈ অন্ধকাৰ নামি আহে। পৰাপক্ষত আমি ব'ম, ফট্‌কা ফুটাব নালাগে । চাকি আৰু মমৰ পোহৰেৰে পোহৰাই ৰাখিব লাগে। আমি যদি শব্দ প্ৰদূষণ আৰু বায়ু প্ৰদূষণৰ সৃষ্টি নকৰো তেতিয়া আমাৰ নিজৰ কাৰণেই ভাল। সকলোলৈকে দিপাৱলীৰ অশেষ শুভকামনা থাকিল।

# পিতৃ-মাতৃৰ প্ৰতি সন্তানৰ দায়ৱদ্ধতা আৰু ল'বলগীয়া ভূমিকাঃ

নন্দেশ্বৰ মিলি
নগাঁও, অসম

মাক-দেউতাক হ'ল আমাৰ জীৱনদাতা, পালনকৰ্তা আৰু জীৱনৰ দিশ নিৰ্ণয়কাৰী। মাক-দেউতাকে বহুত কষ্ট আৰু ত্যাগৰ বলত ল'ৰা-ছোৱালীক জন্ম আৰু ডাঙৰ-দীঘল কৰা হয় । সেই ক্ষেত্ৰত মাকৰ ভূমিকা অত্যন্ত গুৰুত্বপূৰ্ণ ।মাকেই সন্তানক সৰ্বপ্ৰথমে শিক্ষা প্ৰদান কৰে। সেয়ে কোৱা হয় সন্তানৰ প্ৰথম শিক্ষাৰ কঠীয়াথলী ঘৰখন আৰু সৰ্বপ্ৰথম শিক্ষকগৰাকীয়ে হ'ল মাকগৰাকী। সন্তানৰ শিক্ষা, জ্ঞান, সামাজিক, সাংস্কৃতিক সকলো দিশৰ প্ৰথম অংকুৰণ হয় ঘৰখনৰপৰা। মাক-দেউতাকে ল'ৰা-ছোৱালীক ভালকৈ পঢ়া-শুনোৱা কৰোৱাৰ পাছত জীৱনটো সু-প্ৰতিষ্ঠা লাভ কৰাৰ সপোন দেখে। সেয়ে সন্তানে নিজৰ কেৰিয়াৰ প্ৰতিষ্ঠা কৰিবৰ বাবে যিমান দু:খ-কষ্ট কৰে বা চিন্তা কৰে, তাতোকৈ মাক-দেউতাকে নিজৰ সন্তানৰ জীৱনতো প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত বহুগুণে চিন্তা কৰে।



বৰ্তমান সময়ত শিক্ষা-দীক্ষা, উচ্চ ডিগ্ৰী-ডিপ্লমাৰে মানুহবোৰে শিক্ষিত হৈ আহিছে। পূৰ্বতকৈ মানুহবোৰে বেছি সচেতন হৈছে বুলি কোৱা হয়। বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ বলত মানুহে অসম্ভৱকো সম্ভৱ কৰি তুলিছে। সূদুৰ আকাশ-মহাকাশৰ বুকুত ভৰি থৈ অথবা সুগভীৰ প্ৰশান্ত মহাসাগৰৰ বুকুত বিচৰণ কৰিছে আৰু অজান এন্টাৰকৰ্টিকা বুকুত অথবা সুউচ্চ এভাৰেষ্ট শৃংগ আৰোহণ কৰি মানুহে নিজৰ বিজয় গৌৰৱ ঘোষণা কৰিছে। মানুহবোৰৰ জীৱন-ধাৰণ, পোছাক-পৰিচ্ছদে আধুনিক যেন দেখায়; কিন্তু মন, মানসিকতাবোৰ এতিয়াও আদিম, জিংঘাসু প্ৰবৃত্তিৰ। মানুহবোৰৰ ধ্যান-ধাৰণা, চিন্তাবোৰ ইমান তললৈ অৱনতি হৈছে যে যাৰ ফলত মানুহবোৰে নিজকে উচ্চশিক্ষিত, সভ্য আৰু জীৱশ্ৰেষ্ঠ হিচাপে চিনাকি দিব পৰাৰ গুণটো অলপো অৰ্জন কৰিব পৰা নাই বুলি ক'লেও হয়তো বঢ়াই কোৱা নহ'ব। মানুহবোৰে ধৰ্ম, ভাষা, জাতি, বৰ্ণক লৈ বিভেদ কৰিছে। নিজৰ মাক-দেউতাক, ভাই-ভনীক শত্ৰুজ্ঞান কৰে। ধৰ্ষণ, ব্যাভিচাৰ, অপহৰণ, দুৰ্নীতি আদিৰে মানৱ সমাজখন কলুষিত হৈছে। গতিকে তেনে মানসিকতা লৈ মানুহবোৰৰ স্থান উন্নত হোৱাৰ পৰিৱৰ্তে নিম্নগামীহে হৈছে।

বৰ্তমান সময়ত সন্তানবোৰে গুৰু-গোসায় নমনা স্বভাৱৰ বুলি প্ৰায়েই অভিযোগ উঠা দেখা যায়। দায়িত্বহীন, উশৃংখল আৰু বেপেৰোৱা চৰিত্ৰ লৈ বিভিন্ন অকাৰ্য কৰে । মদ, ভাং, চিগাৰেট, ড্ৰাগছৰ দৰে অপকাৰী দ্ৰব্যৰ কবলত পৰি যুৱ-প্ৰজন্মবোৰ উছন হৈ গৈছে ।মাক-দেউতাকক দাবী-ধমকি দি টকা-পইচা লুট কৰে, ঘৰ-দুৱাৰ, মাটি-বাৰী বিক্ৰী

(আঠপৃষ্ঠাত চাওক)

# দীপাৱলী বা দীপান্বিতা

**হিমাদ্ৰী বৰকটকী**



দীপাৱলী বা দীপান্বিতাক পোহৰৰ উৎসৱ বুলি কোৱা হয়। জনবিশ্বাস মতে ভগৱান ৰামচন্দ্ৰই ১৪ বছৰ বনবাস খাটি ৰাৱনক বধ কৰি সীতাক উদ্ধাৰ কৰি অযোধ্যালৈ উভতি আহিছিল।সেইদিনা অযোধ্যাবাসীয়ে ঘৰে-ঘৰে চাকি-বন্তি জ্বলাই আলপনা বা ৰংগোলী আঁকি ৰামচন্দ্ৰক আদৰণি জনাইছিল। গোটেই অযোধ্যা পোহৰে জকমকাই আছিল। সেইদিনটোত অযোধ্যাবাসীয়ে মিলি ৰামৰ বিজয় উৎসৱ পালন কৰিছিল। সেইকাৰণে বৰ্ত্তমানেও সেই দিনটোত দীপাৱলী উদযাপন কৰে হিন্দুধৰ্মাৱলীৰ লোকসকলে। এই উৎসৱ সাধাৰণতে হিন্দু, জৈন, শিখ সকলৰ প্ৰধান উৎসৱ। কাতি মাহৰ অমাৱস্যা তিথিত দীপাৱলী উদযাপন কৰা হয়। দীপাৱলীৰ দিনা সাধাৰণতে জৈন ধৰ্মাৱলীৰ লোক সকলে লক্ষ্মী আৰু গণেশক পূজা কৰে। ঘৰ-দুৱাৰ চাফ-চিকুন কৰি সন্ধিয়া গোটেই ঘৰত চাকি-বন্তি জ্বলোৱা হয়। ঘৰে ঘৰে কলগছ পদুলি মূখত ৰোৱা হয় আৰু তাত চাকি জ্বলোৱা হয়। আলপনা বা ৰংগোলী ঘৰত

(আঠপৃষ্ঠাত চাওক)

# পোহৰৰ উৎসৱ দীপান্বিতা

**বন্দিতা শৰ্মা কন্দলি**

কাতি মাহৰ অমাৱস্যা নিশা পালন কৰা হয় কালী পুজা আৰু দীপান্দিতা। দীপান্দিতা ত নানা আকৃতিৰ মাটি চাকি, ৰং-বিৰঙৰ বিজুলী চাকি, মমবাতি আৰু আতচবাজীৰ পোহৰ আৰু শব্দই অমাৱস্যাৰ আন্ধাৰ আঁতৰাই পোহৰে চৌদিশ উজলাই তোলে। এই চাকিৰ পোহৰত আমাৰ মনবোৰো সুখ আনন্দৰে ভৰি পৰে।

পৌৰাণিক আখ্যান অনুসৰি শ্ৰীৰামচন্দ্ৰই ৰাৱণক বধ কৰি জগতত সত্য আৰু ধৰ্ম প্ৰতিষ্ঠা কৰিবলৈ বনবাসৰ পৰা অযোধ্যালৈ ঘূৰি অহাৰ সময়ত প্ৰজাবৃন্দই চাকি-বন্তি জ্বলাই অযোধ্যা নগৰ পোহৰাই আনন্দ উলাস কৰিছিল। আন এক আখ্যান মতে ভগৱান শ্ৰীকৃষ্ণই অত্যাচাৰী নৰকাসুৰক বধ কৰাৰ পিছত বন্তি জ্বলাই আনন্দ প্ৰকাশ কৰিছিল। এই আখ্যান সমূহৰ পৰা আমি ইয়াকে বুজিব পাৰো যে দীপান্দিতা বা দেৱালীৰ প্ৰকৃত অৰ্থ হ'ল সমাজ আৰু মনৰ অসূয়া শক্তিক নিঃশেষ কৰি শান্তি আৰু আনন্দক আদৰণি জনোৱা। প্ৰতি বছৰ দৰেই এই বছৰো আমাৰ হেঁপাহৰ উৎসৱ দেৱালী আহি পালেহি। তোমালোকে মাটি চাকি জ্বলাই ভাল পোৱা নে ৰং বিৰঙৰ



বিজুলী চাকি যি খিনিক আমি সাধাৰণতে টিপ্-টপ্ লাইট বুলি কওঁ, সেয়া বেছি ভাল পোৱা বাৰু? সৰহ সংখ্যকেই চাগে পাছৰ বিধহে ভাল পোৱা নহয় জানো! কিন্তু কেৱল আনন্দৰ বাবেহে যে চাকি জ্বলাই এনে নহয়, চাকি জ্বলোৱাৰ আৰু এটা বিজ্ঞান ভিত্তিক কাৰণ আছে। তেলৰ মাটি চাকি জ্বলালে তাত অসংখ্য চগা, শস্য অনিষ্টকাৰী কীট-পতংগ, মহ আদি চাকিৰ তেল আৰু জুইত জাহ যায়। যিহেতু এই কীট পতংগই আমি দেখা মাছ ভেকুলীৰ দৰে শ শ কণী পাৰে; আন কিছুমান প্ৰাণীয়ে এই কণীবোৰ খাদ্য হিচাপে গ্ৰহণ কৰে যদিও যথেষ্ট সংখ্যক পোৱালি জগায় সেয়ে এই ব্যৱস্থাৰে কিছু সংখ্যক অনিষ্টকাৰী কীট-পতংগ কমিলেও পৰিস্থিতি তন্ত্ৰত বিশেষ প্ৰভাৱ নপৰে। ফলস্বৰূপে শস্য ৰ লগতে আন জীৱ-জন্তু আৰু আমিও বহু বেমাৰ আজাৰৰ পৰা ৰক্ষা পৰো।

অত্যাধিক পোহৰ আমাৰ চকুৰ বাবে হানিকাৰক। এনে পোহৰক পোহৰ প্ৰদূষণ বুলি কোৱা হয়। বিজুলী চাকিৰ ৰং বিৰঙ আৰু ঢিমিক-ঢামাক পোহৰে আমাৰ

(আঠপৃষ্ঠাত চাওক)

# ধনতেৰচ

**কবিতা শৰ্মা**

ধনতেৰচ ভাৰত বৰ্ষৰ সকলোতকৈ মহত্বপূৰ্ণ উৎসৱ সমূহৰ ভিতৰত অন্যতম । হিন্দু কেলেণ্ডাৰ অনুসৰি এই উৎসৱ কাতিমাহৰ কৃষ্ণপক্ষৰ ত্ৰয়োদশী তিথিত দীপাৱলীৰ দুদিন আগতে পালন কৰা হয় ।ধনতেৰচ শব্দটোৰ অৰ্থ হ'ল - ধন অৰ্থাৎ সমৃদ্ধি আৰু তেৰচ অৰ্থাৎ ত্ৰয়োদশী ।এই পবিত্ৰ দিনটোত ঘৰলৈ নতুনকৈ ক্ৰয় কৰি অনা সকলো বস্তুৰ তেৰ গুন বৃদ্ধি হয় বুলি লোক সমাজত বিশ্বাস কৰা হয় ।

ধনতেৰচ অতি আনন্দ আৰু উলহমালহেৰে উদ্‌যাপন কৰা হয় যদিও এই উৎসৱ কিন্তু কেৱল আনন্দৰে প্ৰতীক নহয় - ই সুস্বাস্থ্যৰো প্ৰতীক ।শাস্ত্ৰ অনুসৰি অমৃত মন্থনৰ সময়ত এই দিনটোতে হাতত অমৃত ভাণ্ডাৰ লৈ ভগৱান ধন্বন্তৰি নিজৰ চতুৰ্ভূজ স্বৰূপত আবিৰ্ভাৱ হৈছিল। ধন্বন্তৰি দেৱতাক স্বয়ং বিষ্ণুৰ অংশাৱতাৰ আৰু আয়ুৰ্বেদৰ জনক বুলি জনা যায় । দেবতা সকলে সেই অমৃত ভাণ্ডাৰৰ অমৃত পান কৰি অমৰত্ব লাভ কৰিছিল। সেয়েহে ধনতেৰচৰ দিনা সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰি ভগৱান ধন্বন্তৰিক পূজা কৰা হয় । ইয়াৰ উপৰিও ধনতেৰচত ধনৰ দেৱী লক্ষী, সিদ্ধিদাতা গনেশ, মৃত্যুৰ দেৱতা যম আৰু কুবেৰকো পূজা কৰা হয় । লক্ষীয়ে মানুহক ভয়-শোকৰ পৰা মুক্তি দি সমৃদ্ধিশালী কৰি ৰাখে, গনেশে সকলো কাৰ্য্যৰ সিদ্ধি দান কৰে, যমে অকাল মৃত্যু হৰণ কৰে আৰু কুবেৰে মানুহক আসুৰিক প্ৰবৃত্তিৰ পৰা মুক্ত কৰি ৰাখে ।কথিত আছে যে এই উৎসৱত দক্ষিণ দিশত যমৰ উদ্দেশ্যে চাকি জ্বলাই অকাল মৃত্যুকো ৰোধ কৰিব পাৰি ।ধৰ্মীয় মহত্ত্বৰ উপৰিও ধনতেৰচে ব্যৱসায় বাণিজ্যৰ ক্ষেত্ৰতো এক মহত্বপূৰ্ণ ভূমিকা পালন কৰে । ধনতেৰচৰ দিনটো নতুন কিনা কটাৰ বাবে আটাইতকৈ উত্তম দিন বুলি বিবেচনা কৰা হয় ।বিশেষকৈ সোণ-ৰূপৰ অলংকাৰ, ৰূপ বা পিতলৰ বাচন কিনাতো অতি শুভ বুলি মনা হয় ।যিকোনো বিত্তীয় লেনদেন বা নতুন বিনিয়োগৰ ক্ষেত্ৰতো এই সময়ক আটাইতকৈ উপযুক্ত সময় বুলি ধৰা যায় । এই সময়ত দোকান — বজাৰ আৰু যি কোনো ব্যৱসায়িক প্ৰতিষ্ঠান সমূহ ইমান সক্ৰিয় হৈ পৰে যে প্ৰায় চব্বিশ ঘন্টাই খোলা ৰখা হয়। এই উৎসৱৰ বাবে সকলো



মানুহে সামৰ্থ্য অনুযায়ী কিনা কটা কৰাৰ যোগেদি সকলো ক্ষেত্ৰতে লাভবান হোৱা যায় , লাগিলে সি সৰু অসংগঠিত ক্ষেত্ৰ যেনে - ঘৰ সজোৱা বস্তু, বিজুলী সামগ্ৰী, বাচন-বৰ্তনেই হওক বা অটোমবাইল বা অলংকাৰৰ দৰে সংগঠিত ক্ষেত্ৰতেই হওক ।এনেদৰে প্ৰায় কৌটি -কৌটি টকাৰ লেনদেনে বাস্তৱিকতে দেশৰ অৰ্থনৈতিক দিশলৈ এক শুভ সংকেত কঢ়িয়াই আনে ।

এই উৎসৱৰ কিছু দিন আগৰে পৰা মানুহে নিজ নিজ ঘৰ- দুৱাৰ পৰিষ্কাৰ কৰি আবৰ্জনা মুক্ত কৰি তোলে । ঘৰ দুৱাৰ নতুনকৈ ৰং কৰা হয়। বিচনা চাদৰৰ পৰা পৰ্দালৈকে সকলো নতুন কৰি তোলা হয় । সামৰ্থ্য অনুযায়ী সকলোৱে নতুন সাজপাৰ, অলংকাৰ, ইলেকট্ৰনিক সামগ্ৰী, ঘৰ সজোৱা বস্তু, লক্ষী-গনেশ অঙ্কিত ৰূপৰ মুদ্ৰা, ৰূপ বা পিতলৰ বাচন নানা তৰহৰ মিঠাই আদি কিনে ।এই দিনটোত ৰূপ আৰু পিতলৰ সামগ্ৰী কিনাটোৱে বিশেষ শুভ বুলি মনা হয় ।ৰূপে চন্দ্ৰৰ শীতলতা আৰু ৰূপে সমৃদ্ধি প্ৰদান কৰে বুলি বিশ্বাস কৰা হয় । অবশ্যে সময়ৰ পৰিবৰ্তনৰ লগে লগে মানুহৰ ৰুচি আৰু প্ৰয়োজনো সলনি হৈছে । বৰ্তমান দিনত বহুতে ম'বাইল, লেপটপ, বাইক, গাড়ী আদি যানবাহনো কিনে । ধনতেৰচৰ দিনা ঘৰৰ দুৱাৰ মুখ ৰঙীন আল্পনা আকি সুন্দৰকৈ সজাই তোলা হয় । দুৱাৰ মুখৰ পৰা ঘৰৰ ভিতৰলৈ আটা বা চাউলৰ গুৰি আৰু সেন্দূৰ মিহলাই লক্ষীৰ সৰু সৰু ভৰি অকা হয় যাতে ঘৰত লক্ষীৰ প্ৰবেশ ঘটে । সন্ধিয়াৰ লগে লগে ঘৰ, দোকান-বজাৰ ৰঙীন আলোকেৰে জলমলাই উঠে । সকলো দুখ দুৰ্গতি হৰণৰ অৰ্থে মাটিৰ সৰু সৰু চাকি গোটেই ৰাতি জ্বলাই ৰখা হয় । পাৰম্পৰিক মিঠাই ভোগ তৈয়াৰ কৰি ভগবানৰ সন্মুখত প্ৰসাদ ৰূপে অৰ্পণ কৰাহয়। ঘৰৰ সকলোৱে নতুন সাজপাৰ পৰিধান কৰে ।সৰুৱে ডাঙৰক প্ৰণাম কৰি আশীৰ্বাদ লয় । পূজাৰ শেষত সকলোৱে মাজত প্ৰসাদ বিতৰণ কৰি শেষত ঘৰৰ সকলোৱে প্ৰসাদ গ্ৰহণ কৰে ।

ধনতেৰচ ভাৰত বৰ্ষৰ প্ৰায় সকলো ৰাজ্যতে সেয়া মায়া নগৰী মুম্বায়ে হওক বা পিঙ্ক চিটী জয়পুৰেই হওক, মধ্যপ্ৰদেশ,

(আঠপৃষ্ঠাত চাওক)

## প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে

এক প্ৰেছ বিবৃতি যোগে জানিব দিছে। তদুপলক্ষে কামাখ্যা মন্দিৰত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, ৰাজ্যিক বিজেপিৰ সভাপতি ভৱেশ কলিতা, ভাজপাৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক দিলীপ শইকীয়া, ৰাজ্যিক বিজেপিৰ সাংগঠনিক সাধাৰণ সম্পাদক ফণীন্দ্ৰ নাথ শৰ্মা, গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ কুইন ওজা, মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব জয়ন্ত মল্ল বৰুৱা উপস্থিত থাকে। একেদৰে তেজপুৰৰ মহাভৈৰৱ মন্দিৰত ৰাজ্যিক বিজেপিৰ সাধাৰণ সম্পাদক দ্বীপলু ৰঞ্জন শৰ্মা, শিৱসাগৰৰ শিৱদলত কেন্দ্ৰীয় কেবিনেট মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, অসম চৰকাৰৰ মন্ত্ৰী যোগেন মহন, উপ সভাপতি তথা সাংসদ তপন কুমাৰ গগৈ, মুখ্য মুখপাত্ৰ তথা সাংসদ কামাখ্যা প্ৰসাদ তাছা, তিনিচুকীয়াৰ টিলিঙা মন্দিৰত কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী আৰু ৰাজ্যিক সাধাৰণ সম্পাদক পল্লৱ লোচন দাস, অসম চৰকাৰৰ মন্ত্ৰী সঞ্জয় কৃষাণ আৰু গোৱালপাৰাৰ টুক্ৰেশ্বৰী দেৱালয়ত আয়োজন কৰা অনুষ্ঠানত অসম চৰকাৰৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস উপস্থিত থাকে।

## বিজেপি চৰকাৰৰ দিনত

সংখ্যা ২১.২০ শতাংশলৈ বৃদ্ধি পাইছে। অসমতো ক'ভিডৰ পৰিস্থিতিত ৩২৪৩ জন লোকে আত্মহননৰ পথ বাছি ল'বলগীয়া হৈছে। ২০১৯ বৰ্ষতকৈ ২০২০ বৰ্ষত ৩৬ অধিক লোকে আত্মহননৰ পথ বাছি লৈছে। নেচনেল ক্ৰাইম ৰেকৰ্ডচ ব্যুৰ'ৰ প্ৰতিবেদন অনুসৰি আত্মহত্যা কৰা লোকৰ সংখ্যাৰ ক্ষেত্ৰত অসমৰ স্থান পঞ্চমত। নিৰ্বাচনৰ আগত মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই ২৫ লাখ নিবনুৱাক চাকৰি দিম বুলি প্ৰতিশ্ৰুতি দিছিল যদিও আজিলৈকে নিবনুৱা সমস্যা সমাধানৰ ক্ষেত্ৰত কোনো ধৰণৰ পদক্ষেপ গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাই। অসমৰ শিক্ষিত যুৱক-যুৱতী সকলক গভীৰ অন্ধকাৰৰ ফালে ঠেলি দিছে মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰ খনে। অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা উন্নয়নৰ কথা কোৱাৰ উপৰিও ৰাজ্য খনলৈ উন্নয়নৰ গংগা বোৱাই আনিম বুলি কৈ থাকে, কিন্তু তেওঁ দীৰ্ঘ সময়ৰ বাবে দায়িত্বত থকা স্বাস্থ্য খণ্ডৰ আজি পয়ালগা অৱস্থা জনমানসত স্পষ্টকৈ ওলাই পৰিছে। যি সময়ত এখনৰ পাছত এখন চিকিৎসা মহাবিদ্যালয় হাস্পতাল স্থাপনৰ কথা চৰকাৰে ঘোষণা কৰিছে, আৰু একে সময়তে ৰাজ্যত অভাৱ ১৩৮২ জন ডাক্তৰৰ। প্ৰসূতিৰ মৃত্যুৰ হাৰ বৃদ্ধি হোৱাৰ লগতে নৱজাতকৰ মৃত্যুৰ হাৰত দেশৰ ভিতৰতে অসমৰ স্থান তৃতীয়। প্ৰতি হাজাৰ নৱজাতকৰ ভিতৰত ৪০ জনৰ হয় মৃত্যু। ৰাজ্যখনৰ ৰছ খন জিলাৰ হাস্পতালত নাই আই চি ইউ। গতিকে চৰকাৰে প্ৰতিশ্ৰুতি দিয়াৰ সলনি প্ৰতিশ্ৰুতি পালন কৰাত মনোনিৱেশ কৰক।




## কবিতাৰ শিতান

# দীপাৱলী

নিতিস্মান দাস



আহিলে আনন্দৰ দীপাৱলী,
এই উৎসৱত আৰাধিত হয় মা কালী।
অন্ধকাৰৰ পৰা পোহৰলৈ যোৱা হয় এই উৎসৱত,
সকলো ফালে ৰমক-জমক চহৰ গাঁৱত।
সকলোৱে ঘৰত এটা জুটা চাকি,
এই চাকিয়ে অপশক্তি আৰু অন্ধকাৰক ৰাখে ঢাকি।
কিছোঁঘৰত দীপাৱলীত সাজে ৰঙ্গলী,
পোহৰে ভৰে সমগ্ৰ ধৰণী।
নিশাৰপৰত তৰাই জিলিকমিলিক কৰে,
দেৱালী বুলি কলে ভৰে মন আনন্দেৰে।
ভাৰত বুলিয়ে নহয়, পুলকিত হয় মন অন্য দেশৰ,
এই উৎসৱ একমাত্ৰ হৈ আছে অমৰ।
সকলোৱে ঘৰত চাকি বন্তি,
ৰাৱণ বধৰ পাছত শ্ৰীৰাম আহে উভতি।
আধুনিক যুগৰ বিস্ফোৰকে, বায়ু, ধ্বনিৰ প্ৰদুষণ,
গম্ভীৰ হয় ভাৱক, বায়ু প্ৰদূষিত হ'লে কেনেকৈ কৰিম জীৱন পন।
দেৱালীৰ আগত সকলোৱে কৰে বজাৰ,
শিশুসকলে বিস্ফোৰকৰ কৰে অপব্যৱহাৰ।
সমগ্ৰ দেশবাসীৰ মুখত হাঁহিৰে ভৰা,
দীপাৱলীৰ সকলোকে জনালোঁ শুভকামনা।

# নীৰৱ যাতনা

অংশুমান বাৎস

মৌন ওঁঠেও বহু কথাই কয়,
নিৰ্জন নিশাত কম্পিত ওঁঠ দুটিও,
অৱশেষত দেখোন থমকিয়েই ৰয়।
চশমাৰ আঁৰত থকা চকুযোৰিক
অলপ কাষৰ পৰা চাবা,
নিলগৰ পৰা সবল যেন লগা
নয়নেও,
প্ৰিয় জনৰ কাষ পাই প্ৰায়ে উচুপি
ৰয়।
বিষাদৰ পলবোৰতো তেওঁৰ
চকুৰে চকুলো নবয়,
নিতৌ সহি অহা যন্ত্ৰণাৰ
কাহিনীয়ে,
কেৱল ডায়েৰীৰ পাততহে স্থান
লয়।
সকলোৰে মন মোহা সেই
উজ্বল হাঁহিটি নিৰ্জনতাত
প্ৰায়ে ম্লান পৰি ৰয়,
পাৰ কৰি অহা ধুমুহাৰ কাহিনী
তথাপিটো কাকোৱেই নকয় ।
যদিওবা তেওঁ দুৰ্বল নহয়,
কেতিয়াবা নিশাৰ আন্ধাৰত
তেওঁৰো চকুলো বয়,
সেই দুখবোৰক তেওঁ
কিন্তু গোপন কৰিয়েই থয় ।

# ভূপেন হাজৰিকা

লক্ষী প্ৰসাদ ৰেগন



তুমিয়েতো আছিলা বিস্তৃৰ্ণ পাৰৰ অসংখ্যজনৰ
হিয়াৰ আমঠু।
প্ৰতিজন অসমীয়াৰে বুকু আজি
উদাস উদাস
তোমাৰ অবৰ্তমানত
মানৱে যেতিয়া দানৱ হোৱা দেখিলা
দানৱ কেতিয়া মানৱ হ'ব
এই আশা কত দিন বুকুত লৈ ফুৰিলা আলেঙে আলেঙে
মানুহ যদিহে নহয় মানুহ
বুকুৰ কুটুম হ'লেও যে আশাবোৰ জঁই পৰি যায়
এই কথাকে অসমীয়াক দিলা সোঁৱৰাই
ক'লা মানুহৰ বগা তেজ
বগা মানুহৰ ক'লা তেজ বিচাৰি। প্ৰতিদানত যে কি কি
হেৰুৱালা
তোমাৰ এই ৰূপহী অসম
এই যে পূবত সূৰ্য উঠা দেশ। গাৰো ডফলা মিৰি মিজো
আৰু পাহাৰ ভৈয়াম
বৰাক-ব্ৰহ্মপুত্ৰলৈ এবাৰো নপৰেনে মনত?
আমি অসমীয়াই নিজকে নিচিনিলে
কি কি যে নহ'ব
এই কথাকে তাহানিতে দিলা সকীয়াই। অসম মৰিলে যে
আমিও মৰিম
এয়াই আজি নিশ্চিত

# দীপাৱলীৰ সংকল্প

কুমুদ চন্দ্ৰ মেধি

দীপাৱলীৰ আনন্দ চাকিৰে পোহৰাই
নোৱাৰোঁ জানো কৰিব পালন,
ফটকাৰ ধোঁৱাৰে কলুষিত নকৰি
পৰিৱেশ আৰু প্ৰাণীৰ জীৱন।
সকলোৱে মিলি শুৱনি কৰোঁ আহা
আমাৰ বসতি সেউজ ধৰা,
উশাহ-নিশাহত সেৱন কৰোঁ
পৰিষ্কাৰ বায়ুৰ শীতল ধাৰা।
এই পৃথিৱীৰ গছ-লতা-বন
মাছ-কাছ, জীৱ অগণন,
সবাৰো আছে এই মাতৃভূমিত
জীয়াই থকাৰ এটি মন।
জীৱশ্ৰেষ্ঠ বুলি আমিয়ে জানো
কৰি থকা নাই গৰ্ব ?
'অহিংসা পৰম ধৰ্ম' নীতি আদৰ্শ
নামানি কৰিছোঁ খৰ্ব।
আকাশ শুৱনি বতাহ লাৱনী
পাৰিপাৰ্শ্বিকতাৰ ভাৰসাম্য,
আমিয়ে বজাই ৰাখিব লাগিব
সেয়া হওঁক আমাৰ কাম্য।
সংকল্প লওঁ আটায়ে মিলি
সুন্দৰ কৰিম এই ধৰা,
আশীৰ্বাদ কৰিব দেৱতাসকলেও
নীল গগণৰ পৰা।
আইতাই আজি নক'লৈ সাধু
শুনালে অমৃত বাণী,
পোহৰৰ উৎসৱ দীপাৱলী পালনত
মনত ৰাখিম উপদেশখিনি।

# জীৱন জিনাৰ গান

মানসী মিশ্ৰ



**(২০০৮ বৰ্ষৰ ত্ৰিশ অক্টোবৰত সংঘটিত বৰ্বৰ ঘটনাৰ বিৰুদ্ধে এক কণ্ঠ**

কি দিলি
পালি নো কি ?
নিৰীহৰ তেজেৰে খেলিলি ফাকুঁ
জাতিক তেজেৰে তুমুৰলি কৰাৰ
এয়া নে পণ
নে অনাগত সকলক সন্ত্ৰাস বাদৰ
অ আ ক খ শিকেৱাৰ নতুন এয়া
গান
মাজ নিশাৰ সৌ আঁহত জোপাৰ
তলত
শুনা সেই চিনাকী কৰুণ সুৰ....
মা, দেউতা, দাদা, বৌ....
এই কান্দোনবোৰে নকঁপায় নে বুকু
বুজিব জানো পাৰিবি তহঁতে
হৃদয় বীণাৰ তান.....
বুজিলি জানোঁ মাকৰ বুকুত
এতিয়াও সাৰে থকা
পোনাকণহঁতৰ হাঁহাকাৰ।

# অনুভূতি

অখিল কুমাৰ বৰুৱা



সেই যে শৈশৱৰ
চেচোঁৰে খন্দা পথাৰখন
ঠায়ে ঠায়ে পৰি ৰোৱা
শামুকৰ খোলাবোৰ
কাৰোবাৰ ভৰিৰ গছকত
বাজিছে যেন চনচনাই
ক'ত গ'ল আজি, সেই সোনালী পথাৰখন
আছে মাথো কিট পতঙ্গৰ
বিকৃত ৰূপ
ৰোৱনি দাৱনিৰ খোজত
মৰহি গ'ল সেই পথাৰখন
কাষতে থকা কুলু কুলু ধ্বনিৰে
বৈ যোৱা জান জুৰি
উঠলি উঠা যৌৱন জীৱন
প্ৰানোজ্বল হাঁহি
ক'ত গ'ল সেই অতীতৰ
ভাল লগা অনুভূতিবোৰ
স্তব্ধ হল মনৰ হেপাঁহ

২০ কাতি, ১৪২৭ চন Rongili Barta, Date of Publication-- 7 November, 2021



E-mail us-
rongilibartamedhi@gmail.com

Postal Redg. No. GH- 098/ 2015 - 17

Rongili Barta
GUWAHATI—781025

২০ কাতি, ১৪২৭ চন Rongili Barta, Date of Publication-- 7 November, 2021

# দীপাৱলী বা দীপান্বিতা

অংকন কৰা হয়। আনন্দৰ উৎসৱ হিচাবে বিভিন্ন ধৰণৰ মিঠাইৰ সোৱাদ লোৱা হয়। পোহৰৰ উৎসৱ হিচাবে লাইটৰ পোহৰেৰে ঘৰবোৰ আলোকিত কৰা হয়। লগতে সকলোৱে মিলি ফটকা-ফুলজাৰি জ্বলাই আনন্দ উৎসৱটি উদযাপন কৰা হয়।

অসম আৰু বেংগলটো সাধাৰণতে সেইদিনা কালিপূজা বা শ্যামা পূজা পতা হয়। কালি গোঁসানীৰ মূৰ্তিত পূজা কৰা হয়। ঘৰে ঘৰে চাকি-বন্তি জ্বলোৱা হয়। গোঁসানীৰ ওচৰত হাঁহ-পাৰ, ছাগলী, কোমোৰা, কুঁহিয়াৰ আদি বলি প্ৰদান কৰা হয়। লগতে এই প্ৰসাদ ভক্তসকলক প্ৰদান কৰা হয়।

গতিকে, পোহৰৰ উৎসৱ দীপাৱলী আনন্দৰ উৎসৱ। এই উৎসৱ সকলো লোকৰে প্ৰিয়।

# ধনতেৰচ

গুজৰাট, দিল্লী বা বাঙ্গালুৰুৰেই হওক অতি উলহ মালহেৰে পালন কৰা হয় । পশ্চিম ভাৰতত যদি ব্যৱসায়িক দিশটোৰে অধিক গুৰুত্ব পায় মহাৰাষ্ট্ৰত আকৌ ধৰ্মীয় দিশত । দক্ষিণ ভাৰতৰ লোকে গাইক লক্ষীৰ স্বৰূপ বুলি মানি গো পূজা কৰে । যি ৰীতি নীতিৰেই ইয়াক মনা নহওক কিয় ইয়াৰ আধ্যাত্ম আৰু মূল ধাৰণা কিন্তু একেটাই - সুস্বাস্থ্য আৰু সমৃদ্ধি। ইয়াৰ আকৰ্ষণো চিৰন্তন । আনকি প্ৰবাসী ভাৰতীয় বিদেশত উদযাপন কৰা এই অনুষ্ঠানৰ আধ্যাত্মৰ প্ৰতি বিদেশী সকলো আকৰ্ষিত হৈ পৰিছে ।

আমাৰ অসমীয়া সমাজত আগতে ধনতেৰচৰ ইমান প্ৰচলন নাছিল । কাৰণ দুৰ্গাপূজাৰ পাচতে লক্ষী পূৰ্ণিমাৰ দিনাই অসম আৰু ভাৰতৰ আন আন কিছু অঞ্চলত লক্ষী পূজা কৰা হয়। অৱশ্যে আজিকালি অসমতো বহুতে এই উৎসৱ পালন কৰিবলৈ লৈছে । ই এক শুভ লক্ষণ । কাৰণ সচা অৰ্থত চাবলৈ গলে জীৱন সদায় উৰ্দ্ধমুখী হোৱা উচিত । সেয়া জ্ঞান আহৰণ, স্বভাৱ চৰিত্ৰ, স্বাস্থ্য, ধন সম্পত্তি যিয়েই নহওক কিয় । মানুহে নিজৰ জীৱনৰ উত্তৰণৰ কাৰণে সকলো সময়তে চেষ্টা কৰি যোৱা উচিত ।

সকলোকে ধনতেৰচৰ শুভ কামনা জনালোঁ। সকলোৱে জীৱন শুভ আৰু মঙ্গলময় হওক।

# পোহৰৰ উৎসৱ দীপান্দিতা

চকুৰ ক্ষতি সাধন কৰে। সেয়ে আমি বাহ্যিকতা এৰি দেখাক দেখি বিজুলী চাকিৰ প্ৰতিযোগিতা নাপাতি মাটি চাকি জ্বলাই পৰম্পৰাগত ভাবে উৎসৱ পালন কৰিব লাগে। মাটি চাকিৰ ব্যৱহাৰে মৃৎশিল্পী সকলো প্ৰত্যক্ষ ভাৱে উপকৃত হয়। কভিড-১৯ সংক্ৰমণ ৰোধ কৰিবৰ বাবে দিয়া লকডাউনে আমাৰ বেছিসংখ্যক পৰিয়ালকে আৰ্থিকভাৱে জুৰুলা কৰিলে। এনে সময়ত দেৱালী বুলিয়েই শ শ বা হাজাৰ টকা ফটকা-আতচবাজীৰ নাম পুৰি ছাঁই কৰি দিব নালাগে। এই বিলাকৰ পৰা ওলোৱা ধোঁৱা বা গেছ সমূহে পৰিৱেশ প্ৰদুষিত কৰি তোলে। এই সকলোবোৰ দিশলৈ লক্ষ্য ৰাখি আমি মাটিৰ চাকিৰ পোহৰত অমাৱস্যাৰ আন্ধাৰ আঁতৰোৱাৰ লগতেজ্ঞানৰ চাকিৰে মন উজলাই সমাজখন পোহৰাই তুলিবলৈ চেষ্টা কৰিব লাগিব। আমাৰ মনৰ পৰা হিংসা, দ্বেষ, ভেদ-ভাৱ, অন্যায়-অনীতি, অন্ধবিশ্বাস আদি জ্ঞানৰ চাকিৰে দূৰ কৰি সকলোৰে মনত প্ৰেম আৰু ভাতৃ ভাব জগাই তুলিবলৈ আধ্যাত্মিকতাৰে পালন কৰিম পোহৰৰ উৎসৱ দীপান্দিতা ।

# সম্পৰ্ক আৰু সীমাবদ্ধতা

মাথো মুখৰ কথা, কামতো প্ৰতিফলিত কৰি আপোনাক সকাহ দি ঘুৰাই আনে উশাহ। সেইবাবে মানুহ চিনাটো প্ৰয়োজন। প্ৰেক্টিকেল হোৱাটো প্ৰয়োজন। যিমানেই আপুনি মানুহ লগ পাব সিমানেই ব্যক্তিৰ বিষয়ে জ্ঞাত হ'ব। কিন্তু ই মাথো শিক্ষনৰ এটা সমল হিচাপে থকাটোৱেই উচিত। কাক কাক সুখী ৰাখিব আপুনি ? নিজকেই নে আনক ? সেইবাবেই ব্যক্তিগত জীৱনত মাথো কেইজনমান নিৰ্দিষ্ট ব্যক্তি জড়িত থকাটোৱেই সুখী জীৱনৰ ৰহস্য। অসংখ্যতাই আউল লগাই, সময় কাঢ়ি নিয়ে, খেলি-মেলিৰ সৃষ্টি কৰে। কিন্তু সেই নিৰ্দিষ্ট কেইজন... এনেকুৱা ব্যক্তি হওঁক যাক আপোনাৰ প্ৰতিটো প্ৰাৰ্থনাত নিজৰ লগতে তেওঁলোকৰো সু-কামনা কৰিব পৰাকৈ স্বতস্ফূৰ্তভাৱে ওলাই আহে নাম। কোনে আপোনাক ভালপাই, কাক আপুনি পাই..বিষয়টো ৰহস্যকৰ। মুঠতে এটা নিৰ্দিষ্ট চাৰ্কলত সীমাবদ্ধতাৰ মাজত থাকিলে সকলোবোৰতে পাৰফেক্টচন থাকে লাগিলে সেইয়া বস্তু বা ব্যক্তিয়েই হওঁক।

নতুনত্বৰ সন্ধানত আপোনজনক দলিয়াই পেলোৱাৰ সময়ত আপুনিও বুজা উচিত হিন্দী জনপ্ৰিয় গীতৰ কলিটোৰ অৰ্থ, "যাতে ন্যেহী কভী ৰিষ্টে পূৰাণে, কিছী নয়ে কে আ জানে চ্যে।"

# পিতৃ-মাতৃৰ প্ৰতি সন্তানৰ দায়ৱদ্ধতা আৰু ল'বলগীয়া ভূমিকা

কৰি দিয়ে। বিভিন্ন অনৈতিক আৰু অসামাজিক কামত জড়িত হৈ পৰিয়াল, অভিভাৱকৰ সন্মান-আদৰ্শবোৰক ধূলিসাৎ কৰে। সেয়ে তেনেবোৰ সন্তানৰপৰা মাক-দেউতাকে বহু দুঃখ, কষ্ট, অপবাদ আদি ভোগ কৰিবলগীয়া হয়। মাক-দেউতাকে নিজৰ সন্তানক লৈ দেখা আশা-সপোনবোৰ কলিতে মৰহি যোৱা দেখি হায়ৰাণ হয়।

মাক-দেউতাকৰ ভাবনা-চিন্তা, ধ্যান-ধাৰণা আদিবোৰৰ লগত সন্তানৰ ভৱা-চিন্তাবোৰ নিমিলিবও পাৰে। কাৰণ পিতৃ-মাতৃৰ যুগ আৰু সময়টো বৰ্তমানৰ তুলনাত বহুত বেলেগ আছিল। বিজ্ঞান- প্ৰযুক্তিবিদ্যাৰ আৱিষ্কাৰে আগতকৈ বহু দিশত সলনি কৰিছে। যিহেতু সমাজ, সময়ৰ লগত সংগতি ৰাখি মানুহৰ ধ্যান-ধাৰণাসমূহ গঢ়ি উঠে; সেয়ে মাক-দেউতাকৰ ধ্যান-ধাৰণাৰ লগত তেওঁলোকৰ সতি-সন্ততিৰ ধ্যান-ধাৰণাসমূহ বেলেগ হয়। সেই চিন্তা-ধাৰণাৰ তফাৎৰ ফলত কেতিয়াবা মাক-দেউতাক আৰু সন্তানৰ মাজত বিভেদৰ সৃষ্টি হ'ব পাৰে। সেয়ে এনেবোৰ পৰিস্থিতিত আমি আমাৰ পিতৃ-মাতৃৰ ধ্যান-ধাৰণা সমূহক সন্মান জনোৱাৰ লগতে বৰ্তমানৰ ধ্যান ধাৰণাসমূহকো বিলাই দিবলৈ সচেতনতাৰে আগবাঢ়িব লাগিব। পিতৃ-মাতৃ সকলে সন্তানৰ বাবে মিনিটে-ছেকেণ্ডে, প্ৰতিটো পলে-অনুপলে চিন্তা কৰি থাকে। কি খাইছে, কি কৰিছে, ক'ত গৈছে, কাৰ লগত আছে, ইত্যাদি ইত্যাদি অনেক ৰকমৰ চিন্তা-ভাৱনাসমূহ কৰে। কোনোদিনে নিজৰ সন্তানক লৈ বেয়াকৈ বা অহিত চিন্তা-চৰ্চা কৰিব নোৱাৰে। এনেহেন পিতৃ-মাতৃক সন্তানে উপযুক্ত সন্মান-শ্ৰদ্ধা কৰিব নজনাটো কিমান পৰিতাপৰ বিষয়। ক'ৰবালৈ যাবলগীয়া হ'লে মাক-দেউতাকক কৈ যোৱা, অনুমতি লোৱা, সেৱা কৰা আদিৰ ধৰণৰ দৃশ্য বা মানসিকতা আজিকালি বিৰল। বৰ্তমান সময়ত ম'বাইল ফোন, কম্পিউটাৰত গেম খেলি, ফেচবুক, ৱাটচপ আদিত ব্যস্ত থাকি নিজৰ মা-দেউতা, আত্মীয়- স্বজনৰ লগত একান্তমনে কথা পতা, সুখ-দুখৰ খবৰ লোৱা, একেলগে খোৱা-বোৱা আদি দেখিবলৈ পোৱা নাযায়। ৰোগীয়া আৰু বয়সস্থ মাক-দেউতাই এলাগী হৈ নিঃসঙ্গতা আৰু দুঃশ্চিন্তাত ভুগি থাকে। বৃদ্ধ ককা-আইতাকৰ কোলাত বহি নাতি-নাতিনীয়ে সাধু কথা শুনা আৰু চোতালত একেলগে সময় পাৰ কৰা দৃশ্যও আজিকালি নগৰ-মহানগৰৰ সমাজৰ লগতে গাওঁ সমাজতো সুলভ হৈ পৰিল। আজিকালি মাক, আইতাকৰ মুখত নিচুকনি গীত শুনিবলৈ পোৱা নাযায়। তাৰ কাৰণ আমাৰ বৰ্তমানৰ যান্ত্ৰিকতাৰ জীৱনবোৰ। যাৰ ফলত মাক-দেউতাক, পতি-পত্নী, ককা-আইতাক, ভাই-ভনী আদিৰ সেউজী সম্পৰ্কবোৰৰ মাজত ঘূণে ধৰিছে। একক পৰিয়াল প্ৰতিষ্ঠাৰ নামত সন্তানে বিয়া কৰোৱাৰ পাছত বৃদ্ধ মাক-দেউতাকক এৰি বেলেগকৈ থাকিবলৈ লৈছে; অথবা একেলগে থাকিলেও বিভিন্ন নিৰ্যাতন চলোৱাৰ দৰে অপঘটনাবোৰ ঘটিছে। যাৰ বাবে বৃদ্ধ, ৰোগীয়া পিতৃ-মাতৃয়ে অঘৰীৰ দৰে বাটে-ঘাটে বহা, খেদা খোৱা, গালি-শপনি সহ্য কৰা, মাৰা-হত্যা আৰু বৃদ্ধাশ্ৰমত আশ্ৰয় ল'বলগীয়া ঘটনাবোৰ সমাজত ঘটি আছে।

বৰ্তমান সময়ত মানুহবোৰে পিতৃ দিৱস, মাতৃ দিৱস, ভাতৃত্ববোধৰ দিৱস আদিৰ দৰে দিৱস পালন কৰা দেখা যায়। কিন্তু সেই দিৱস এদিনে পালন কৰি কিমানজনে তাৰ তাৎপৰ্য বা প্ৰাসঙ্গিকতা অনুধাৱন কৰিব পাৰে ; সেইটোৱে বিশেষ বিচাৰ্য বিষয়। প্ৰতিটো দিনে আমাৰ মন-মগজু, হৃদয়ত মাক, দেউতা, ভাতৃ-ভগ্নী, আত্মীয়-স্বজন সকলোৰে বাবে সেউজী আৱেগ আৰু সম্পৰ্কবোৰ কঢ়িয়াই ফুঁৰিব লাগে। কাৰণ প্ৰতিটো দিনে তেওঁলোকৰ বাবে সন্তানৰ জীৱন উৎসৰ্গিত হ'ব লাগে, প্ৰতিটো পলে-অনুপলে তেওঁলোকৰ বাবে সাজু থাকিব লাগে। প্ৰকৃততে তেতিয়াহে তেওঁলোকৰ বাবে আমাৰ চিৰ-কৃতজ্ঞতা থাকিব। মা-দেউতাই নিঃস্বাৰ্থভাৱে, নিঃসংকোচে সন্তানৰ প্ৰতি নিজৰ দায়িত্ব-কৰ্তব্য পালন কৰে। কিমান নিদ্ৰা, কষ্ট, ভোকত থাকিও সন্তানক তুলি-তালি ডাঙৰ দীঘল কৰিছে তাক কোনো মূল্যৰে জুখিব নোৱাৰি। তেওঁলোকে তাৰ প্ৰতিদান কেতিয়াওঁ সন্তানৰপৰা নিবিচাৰে। তাৰ মূল্য কেতিয়াও সন্তানৰপৰা নলয় আৰু আশাও নকৰে। গতিকে তাৰ তুলনাত সন্তানে মাক-দেউতাক দিছে কি? মাক- দেউতাকক লৈ সন্তানবোৰে কিমান চিন্তা-চৰ্চা কৰে? সেইবোৰেই চিন্তা কৰিবলগীয়া বিষয়। তাৰ বিনিময়ত সন্তানবোৰে তেওঁলোকক দিছে দুখ, কষ্ট, বেদনা, বিশ্বাসঘাটকতা আৰু অত্যাচাৰ। গতিকে আমি কোনোদিনে মা-দেউতাৰ চকুলো আৰু ঘামৰ মূল্যক পৰিশোধ কৰিব নোৱাৰোঁ। আমি ধৰুৱা হৈয়ে জীৱন চলিব লাগিব আৰু ধৰুৱা হৈয়ে মৃত্যুবৰণ কৰিব লাগিব। আমি সাতজনম কি শ জনম পালেও কোনোদিনে তাৰ মূল্য পৰিশোধ কৰিব নোৱাৰিম। সেয়ে সকলোৱে নিজৰ নিজৰ মা-দেউতাকক সন্মান-শ্ৰদ্ধা, যথোপযুক্ত খোৱা-বোৱা, চিকিৎসা, আদৰ-যতন আদি লোৱাৰ ক্ষেত্ৰত গুৰুত্ব দিয়াটো বাঞ্চনীয়।

ৰঙিলী বাৰ্তা কৰ্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-২৫ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286

প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মুখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ স্বগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ

Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286